**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-08-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত প্ৰথম পৰ্যায়ৰ উচ্ছেদ অভিযানৰ পাছত গোলাঘাট জিলা প্ৰশাসন আৰু বন বিভাগে কালি সৰু পথাৰৰ নামবৰ দক্ষিণ সংৰক্ষিত বনাঞ্চলৰ কিছু অংশত উচ্ছেদ চলায়। কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী আৰু নাগালেণ্ড চৰকাৰৰ সহযোগত কালি গেলাজান আৰু ৩ নম্বৰ ৰজা পুখুৰীৰ অবৈধভাৱে দখলীকৃত বনভূমিত শান্তিপূৰ্ণভাৱে উচ্ছেদ অভিযান সম্পন্ন হয়। অভিযানত ৩৫০টাতকৈ অধিক পৰিয়াল উচ্ছেদ কৰি প্ৰায় এহেজাৰ বিঘা সংৰক্ষিত বনভূমি পুনৰুদ্ধাৰ কৰা হয়।

ইপিনে, মেৰাপানীৰ দৈয়াং সংৰক্ষিত বনাঞ্চলৰ নেঘেৰিবিলত অহা ৮ আগষ্টত উচ্ছেদ অভিযানৰ বাবে বন বিভাগ আৰু জিলা প্ৰশাসন তৎপৰ হৈ পৰিছে। অঞ্চলটোত অবৈধভাৱে বসবাস কৰি থকা প্ৰায় ২০৫টা পৰিয়ালক ঘৰ খালী কৰাৰ বাবে জাৰি কৰা জাননীৰ ম্যাদ যোৱা শুকুৰবাৰে উকলি যোৱাত প্ৰশাসনে পৰহিলৈৰ পৰা উচ্ছেদ অভিযানৰ ব্যৱস্থাসমূহ গ্ৰহণ কৰিব আৰু ৮ আগষ্টৰ পুৱা উচ্ছেদ চলাব। ইয়াৰ জৰিয়তে প্ৰায় ৩৫০ বিঘা ভূমি দখলমুক্ত কৰা হ'ব। ইতিমধ্যে গাঁওখনৰ প্ৰায় ৮০ শতাংশ লোক নিজ নিজ বয়বস্তু হৈ অন্য ঠাইলৈ ৰাওনা হৈছে। ইয়াৰে প্ৰায় ৪০টা পৰিয়ালে গুৱাহাটী উচ্চ ন্যায়ালয়ত কিছু সময় বিচাৰি আবেদন কৰাৰ পাছত তেওঁলোকৰ বাবে এই সময়সীমা ৭ আগষ্টলৈ বঢ়াই দিয়া হৈছিল। অঞ্চলটোত থাকি যোৱা একাংশ লোকেও এতিয়া সেই স্থান এৰি যোৱাৰ বাবে প্ৰস্তুতি চলাইছে বুলি আমাৰ গোলাঘাটৰ সংবাদদাতাই জনাইছে।

ইফালে, বিশ্বনাথ জিলা প্ৰশাসনেও জিলাখনৰ ননকে জাপৰিগুৰিৰ ৩০৭টা পৰিয়াললৈ উচ্ছেদৰ জাননী প্ৰেৰণ কৰিছে। চৰকাৰী গো-চৰণীয়া পথাৰৰ ভূমি দখল কৰি থকা এই লোকসকলক ১৫ দিনৰ ভিতৰত সেই ঠাই ত্যাগ কৰিবলৈ জাননী দিয়া হৈছে।

০০০০০০

বিশিষ্ট লেখিকা, অনুবাদক তথা শিক্ষাবিদ গীতা উপাধ্যায়ক ৰাজ্য চৰকাৰৰ কেইবাগৰাকীও মন্ত্ৰীয়ে কালি তেওঁৰ তেজপুৰৰ বাসগৃহত সাক্ষাৎ কৰি ২০২৫ বৰ্ষৰ পদ্মশ্ৰী বঁটা অৰ্পণ কৰে। উল্লেখযোগ্য যে যোৱা মে'ত ৰাষ্ট্ৰপতি ভৱনত অনুষ্ঠিত পদ্ম বঁটা প্ৰদান অনুষ্ঠানত স্বাস্থ্যজনিত কাৰণত সাহিত্যিকগৰাকী উপস্থিত থাকিব পৰা নাছিল। মুখ্যমন্ত্ৰী ডঃ হিমন্ত শৰ্মাৰ নিৰ্দেশ অনুসৰি মন্ত্ৰী ডাঃ ৰণোজ পেগু, চন্দ্ৰমোহন পাটোৱাৰী, অশোক সিংহল আৰু তেজপুৰৰ বিধায়ক পৃথিৰাজ ৰাভাই শ্ৰীমতী উপাধ্যায়ৰ হাতত পদ্মশ্ৰী বঁটা অৰ্পণ কৰে। অসমীয়া আৰু নেপালী সাহিত্যৰ লগতে অনুবাদ সাহিত্যত অনন্য অৱদান আগবঢ়াই যোৱা বিশিষ্ট সাহিত্যিকগৰাকীৰ প্ৰজ্ঞা, চিন্তাশীলতা আৰু মৌলিক ৰচনাৰাজিয়ে অসম তথা দেশৰ বৌদ্ধিক জগতত বিশেষ অৰিহণা যোগাইছে।

০০০০০০

চৰাইদেউ জিলাৰ অসম-নাগালেণ্ড সীমান্তৱৰ্তী নামতোলা-হাতীকেম্প এলেকাত কালি চৰাইদেউ আৰক্ষী আৰু অসম ৰাইফল্‌ছে যুটীয়া অভিযান চলাই নিষিদ্ধ ঘোষিত সংগঠন এন এছ্‌ চি এন গোটৰ এজন সদস্যক আটক কৰে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে সীমান্তৱৰ্তী এলেকাৰ এজন ব্যৱসায়ীৰ পৰা এন এছ্‌ চি এনে ধন দাবী কৰা সন্দৰ্ভত লাভ কৰা তথ্যৰ ভিত্তিত আৰক্ষী আৰু অসম ৰাইফল্‌ছৰ দলটোৱে সেই ঠাইত অভিযান চলায়। কালি দিনৰ ভাগত ধন আদায়ৰ বাবে অহা আংকি কন্যাক নামৰ এন এছ্‌ চি এনৰ সদস্যজনক নিৰাপত্তা বাহিনীৰ দলে হাতে-লোটে ধৰিবলৈ সমৰ্থ হয়। পাছত সদস্যজনক চৰাইদেউ জিলা ছেচন ন্যায়াধীশৰ আদালতত হাজিৰ কৰোৱাই অধিক জেৰাৰ বাবে চৰাইদেউ আৰক্ষীয়ে দুদিনৰ জিম্মাত লয়।

০০০০০০

ডিব্ৰুগড় জিলাৰ আগশাৰীৰ স্বেচ্ছাসেৱী অনুষ্ঠান নব্য জাগৰণ সৃষ্টিশীল সংস্থাৰ উদ্যোগত আৰু জামিৰা ৰৌমাৰী দিহিঙীয়া গাঁৱৰ যুৱ সমাজৰ সহযোগত কালি অঞ্চলটোৰ উচ্চতৰ আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ শিক্ষাৰ্থীসকলক অভিনন্দন জনোৱা হয়। এই উদ্দেশ্যে সংস্থাৰ সভাপতি ডা০ অৰুণ কুমাৰ দিহিঙীয়াৰ পৌৰহিত্যত অনুষ্ঠিত সভাত ভালেগৰাকী বক্তাই ভাষণ দিয়ে। অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলে গীত আদি পৰিৱেশন কৰি উপস্থিতসকলক মুগ্ধ কৰে।

০০০০০০

ডিব্ৰুগড় জিলাৰ ডিকম আৰক্ষী চকীৰ অন্তৰ্গত কদমণিত গৰু চোৰক আৰক্ষীয়ে আটক কৰাক কেন্দ্ৰ কৰি কালি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। স্থানীয় উত্তেজিত লোকে গৰু চোৰক প্ৰহাৰ কৰাৰ লগতে আৰক্ষীকো প্ৰহাৰ কৰে। উল্লেখযোগ্য যে স্থানীয় লোকে দুজন গৰু চোৰক আটক কৰি মাৰধৰ কৰি থকা অৱস্থাত আৰক্ষীয়ে তেওঁলোকক উদ্ধাৰ কৰিবলৈ যোৱাৰ সময়ত ৰাইজৰ ৰোষত পৰিবলগীয়া হয়। উত্তেজিত লোকৰ প্ৰহাৰত ৫ জন আৰক্ষী আহত হয়। ৰাইজৰ প্ৰহাৰত আহত ডিকম আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া নৱজ্যোতি বৰাক ইতিমধ্যে ডিব্ৰুগড়ৰ এখন ব্যক্তিগত চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। আহত দুজন চোৰ আৰু আৰক্ষী জোৱানকেইজনক অসম চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হৈছে।

০০০০০০

স্বাধীনতা দিৱসৰ পূৰ্বে ৰাজ্যৰ বিভিন্ন প্ৰান্তত আৰক্ষীয়ে নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰা হৈছে। যোৱা বছৰ স্বাধীনতা দিৱসত ৰাজ্যৰ বিভিন্ন স্থানত ২২টাকৈ আই ডি উদ্ধাৰ হোৱাৰ পাছত এইবাৰ যাতে উগ্ৰপন্থী সংগঠনে কোনোধৰণৰ কূটাঘাতমূলক কাৰ্য সংঘটিত কৰিব নোৱাৰে তাৰ বাবে আৰক্ষীয়ে পূৰ্বৰে পৰা সতৰ্কতা অৱলম্বন কৰিছে। গুৱাহাটী মহানগৰ আৰক্ষীয়ে গুৱাহাটী পৌৰ নিগমৰ সৈতে বিভিন্ন স্থানত পদপথৰ দোকান উচ্ছেদ কৰিছে। তদুপৰি পদপথৰ দোকানসমূহৰ আৱৰ্জনাত যাতে উগ্ৰপন্থীয়ে বোমা সংস্থাপন কৰিব নোৱাৰে তাৰ প্ৰতি লক্ষ্য ৰাখি আৱৰ্জনা আঁতৰোৱাৰ ব্যৱস্থা কৰিছে। উজনি অসমৰ বিভিন্ন স্থানতো আৰক্ষীয়ে উগ্ৰপন্থীৰ কূটাঘাত ৰোধৰ বাবে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০০০

সমাপ্ত